# ভাববাদীসকলে মচীহৰ আগমণৰ ভৱিষ্যবাণী কৰিছিল।

ল'ৰা-ছোৱালীক শিকোৱাসকলে P8b অধ্যয়ন কৰা উচিত।

**১। মচীহ সম্বন্ধীয় ভাববাণীবিলাকৰ বিষয়ে শিকাবলৈ প্ৰাৰ্থনা আৰু বাক্যৰে যুগুত হওক।**

**প্ৰাৰ্থনা ঃ** "স্বৰ্গীয় পিতৃ, তুমি কেনেকৈ যীচু, যিজন মচীহ তেওঁৰ আগমনৰ বিষয়ে কৰা অনেক ভৱিষ্যবাণীবোৰ সিদ্ধ কৰিলা, তাত আনন্দ কৰিবলৈ আৰু তেওঁৰ পুনৰাগমন আশা কৰিবলৈ মোৰ মেৰবিলাকক অনুগ্ৰহ কৰি সহায় কৰা।"

**পটভূমি টোকা**

**টোকা - ক ঃ** "মচীহ" শব্দটো হৈছে পুৰণি নিয়মৰ দিনত যিহুদী লোকসকলে তেওঁলোকৰ ৰজাক দিয়া এটা উপাধী। তেওঁলোকে এই "মচীহ" উপাধীটোত এজন মহান ৰজা যিজনে কোনোবা এদিন এই পৃথিৱীলৈ আহি গোটেই জগত শাসন কৰাৰ বিষয়ে ক'বলৈও ব্যৱহাৰ কৰিছিল। মচীহ মানে "অভিষিক্ত জনা" আৰু প্ৰায়ে খ্ৰীষ্টকেই বুজো হয়। গতিকে, যীচুখ্ৰীষ্ট মানে মচীহ যীচু।

**টোকা - খ ঃ** যিহুদীসকলৰ পূৰ্ব্বপুৰুষ অব্ৰাহামৰ পৰা আৰম্ভ কৰি ইতিমধ্যে ৪০০০ বছৰ বুৰঞ্জী আছিলেই। তেওঁলোকে মচীহৰ আগমনলৈ ২০০০ বছৰ অপেক্ষা কৰিলে। তেওঁ যেতিয়া আহিল, অনেকে তেওঁত বিশ্বাস কৰিল, কিন্তু বেছিভাগেই বিশ্বাস কৰা নাছিল। ২০০০ বছৰৰ পিছত আজি অনেক যিহুদী লোকে এতিয়াও মচীহ অহালৈ অপেক্ষাত আছে।

**টোকা - গ ঃ** অনেক কাৰণ আছে যিহৰ বাবে আমি জানো যে বাইবেল সত্য আৰু যীচু মচীহ হয় ঃ (১) যীচুৱে অনেক কাৰ্য্য কৰিছিল যিবিলাক কেৱল ঈশ্বৰেহে কৰিব পাৰে; (২) যীচুৰ নামত কৰা আমাৰ প্ৰাৰ্থনাবোৰৰ উত্তৰ ঈশ্বৰে দিয়ে; (৩) আমি যীচুৰ আচৰিত কৰ্ম্মবোৰ আৰু সপোনবোৰ দেখিছোঁ; (৪) আন সকলো আত্মাতকৈ যীচু শক্তিশালী; (৫) খ্ৰীষ্টে আমাক আনন্দ আৰু শান্তি দান কৰে; (৬) আন কোনোৱে যীচুৰ নিচিনা নহয়; (৭) বিশ্বাসীসকলৰ হৃদয়ত বাস কৰা পবিত্ৰ আত্মাই আমাৰ সত্য আত্মাৰ সাক্ষী বহন কৰে।

বিশ্বাস কৰাৰ আন এটা কাৰণ হৈছে যে অনেক দিনৰ আগেয়েই বাইবেলে শ শ ভৱিষ্যবাণী কৰিছিল আৰু অনেকবোৰ সত্যত পৰিণত হৈছে। পুৰণি নিয়মত, মচীহৰ আগমনৰ বিষয়ে ভাৱবাদীসকলে প্ৰায় ২১০ টা মান ভৱিষ্যবাণী কৰিছিল। নতুন নিয়মত যীচুৱে তাৰ ভিতৰত প্ৰায় ১৫০ টা ভৱিষ্যৎবাণী সিদ্ধ কৰিছে, আৰু বাকীখিনি তেওঁ পুনৰায় যিদিনা এই জগতলৈ আহিব তেতিয়া সিদ্ধ কৰিব বুলি কৈছে।

**টোকা - ঘ ঃ** খ্ৰীষ্টিয়ানবিলাক হৈছে যিহুদী আৰু অনা-যিহুদী, যিবিলাকে প্ৰতিজ্ঞা কৰাৰ দৰেই মচীহ আহিল আৰু তেওঁ যীচু হয় বুলি বিশ্বাস কৰে। খ্ৰীষ্টিয়ানবিলাকে এইটোও বিশ্বাস কৰে যে প্ৰতিজ্ঞা কৰাৰ দৰেই যীচুৱে কোনোবা দিনা এই জগতলৈ পুনৰায় আহিব।

পুৰণি নিয়মৰ ভৱিষ্যৎবাণীবোৰ নতুন নিয়মৰ সমাধাৰ লগত তুলনা কৰক।

- যিচয়া ৯ঃ৬-৭ পদৰ লগত মথি ২ঃ১-১১ পদ এটি বিশেষ শিশু, যিজন ৰজা হিচাবে জন্ম হ'ব, সেই বিষয়ে।
- মীখা ৫ঃ১ পদৰ লগত মথি ২ঃ১-১১ যীচুৰ জন্ম ক'ত হ'ব সেই বিষয়ে।
- যিচয়া ১১ঃ১-৪ পদৰ লগত মথি ৫ঃ১-১২ পদত নম্ৰ আৰু দৰিদ্ৰ লোকক ভালকৈ চলাই নিয়াৰ বিষয়ে।
- যিচয়া ৫৩ঃ৪ পদৰ লগত মথি ৮ঃ১৪-১৭ পদত মানুহৰ ৰোগ সুস্থ কৰাৰ বিষয়ে।
- দ্বিতীয় বিৱৰণ ১৮ঃ১৫ ৰ লগত যোহন ৬ঃ১০-১৫ পদত মানুহবোৰক আচৰিতভাৱে পিঠা দিয়াৰ বিষয়ে।
- দানিয়েল ৯ঃ২৫-২৬ ৰ লগত মথি ২৪ঃ১৪-২৫ ত মচীহৰ আগমনৰ পিচত হোৱা তাড়ণাৰ বিষয়ে।
- জখৰিয়া ৯ঃ৯ পদৰ লগত মথি ২১ঃ১-১১ ত গাধত উঠি যিৰূচালেম নগৰত প্ৰৱেশ কৰাৰ বিষয়ে।
- যিৰিমিয়া ৩১ঃ৩১-৩৪ পদৰ লগত লূক ২২ঃ১৭-২২ পদত নতুন নিয়ম চুক্তি স্থাপন কৰাৰ বিষয়ে।

- যিচয়া ৫৩ঃ১২ পদৰ লগত লূক ২২ঃ৩৭ পদত যীচুক পাপীবিলাকৰ লগত হিচাব কৰাৰ বিষয়ে।
- গীতমালা ২২ঃ১৪-১৮ পদৰ লগত মথি ২৭ঃ৩২-৫০ পদত যীচুৰ ক্রুচীয় মৃত্যু সম্বন্ধে।
- জখৰীয়া ১২ঃ১০ পদৰ লগত যোহন ১৯ঃ৩৪-৩৭ পদত মচীহক কেনেকৈ বৰচাৰে খোঁচা হৈছিল, সেই বিষয়ে।
- যিচয়া ৫৩ঃ৭-৮ পদৰ লগত পাঁচনিৰ কৰ্ম্ম ৮ঃ২৯-৩৫ পদত আমাৰ পাপৰ বলি স্বৰূপে যীচুৰ মৃত্যুৰ বিষয়ে।
- গীতমালা ১৬ঃ৯-১১ পদৰ লগত লূক ২৪ঃ৪৬-৪৮, পাঁচনি কৰ্ম্ম ২ঃ২২-২৪ পদত যীচুৰ পুনৰুত্থানৰ বিষয়ে।

আন ধৰণৰ ভবিষ্যৎবাণীত অনেক পুৰণি নিয়ম দৃষ্টান্ত আছে যিবোৰ যীচুৰ দ্বাৰাই সিদ্ধ হ'ল। উদাহৰণ স্বৰূপে, ১কৰিন্থীয়া ১৫ঃ৪৫ পদত যীচুক "শেষ অদম" বুলি কোৱা হৈছে। আৰু ৰোমীয়া ৫ঃ১২-২১ আৰু ১কৰিন্থীয়া ১৫ঃ২০-২৩, ৪৫-৫০ পদত যীচু আৰু আদমৰ মাজত কেবাটাও বিশেষ সাদৃশ্য আৰু প্ৰভেদ আছে। যীচু আৰু আদম দুয়ো জনেই এক নতুন মানৱ জাতিৰ মুৰব্বী আছিল। আৰু দুয়োজনেই তেওঁলোকৰ কাৰ্য্যৰ দ্বাৰাই তেওঁলোকৰ নিজ জাতিলৈ বহুদূৰ প্ৰসাৰী ফল উৎপন্ন কৰিলে।



চয়তানে প্ৰলোভন দেখুৱালত আদমে ঈশ্বৰৰ অবাধ্য হ'ল



চয়তানে প্ৰলোভন দেখুৱাওঁতে যীচুৱে তাক বাধা দিছিল।

**এটি বিশেষ অধ্যয়নৰ বাবে ঃ** (ভালকৈ সময় কটাব লাগিব) যীচু আৰু তলত উল্লেখ কৰা মানুহ কেইজনৰ মাজত থকা তুলনা আৰু বৈসাদৃশ্যবোৰ আবিষ্কাৰ কৰিবলৈ আমি পৰামৰ্শ দিওঁ ঃ

**আদম** (আদিপুস্তক ২ আৰু ৩ অধ্যায়)

**ইচহাক** (আদিপুস্তক ২২)

**যোচেফ** (আদিপুস্তক ৩৭, ৩৯-৪৮ পদ)

**মোচি** (যাত্ৰাপুস্তক আৰু গণনাপুস্তকৰ সকলোখিনিতে দেখা পোৱা যায়।)

**হাৰোণ ঃ** (লেবীয়া পুস্তক আৰু যাত্ৰা পুস্তকত দেখা পোৱা যায়।)

যিহোচুৱা ঃ (যিহোচুৱা)

**বোৱজ ঃ** (ৰূথ)

**দায়ুদ ঃ** ১ চমূঃ ১৬-৩১ আৰু ২ চমূৱেল ১-২৪ অধ্যায়লৈ)

**এলিয়া ঃ** (১ম ৰজাঃ ১৭, ১৯ ২ ৰাজাৱলি ২ অধ্যায়লৈকে)

**২। আহিবলগীয়া সপ্তাহটোত কৰিবলগীয়া কামবোৰ আপোনাৰ সহযোগীৰ সৈতে ঠিক কৰি লওক।**

আপুনি পৰিদৰ্শন কৰোঁতে আৰু সাক্ষ্য দান কৰোঁতে ভাববাদী বিলাকে কেনেকৈ মচীহৰ আগমনৰ বিষয়ে ভবিষ্যৎবাণী কৈছিল আৰু সেই ভবিষ্যৎবাণীবোৰ যীচুৱে সিদ্ধ কৰিছিল সেই বিষয়ে মানুহবিলাকক বুজাই দিয়ক। যিবিলাক বিশ্বাসী আৰু জানিব খোজা লোকৰ মনত সন্দেহ আছে, তেওঁলোকৰ ঘৰ পৰিদৰ্শন কৰক আৰু বিশ্বাসৰ কাৰণৰ বিষয়ে চিন্তা কৰিবলৈ উদ্‌গনি দিয়ক। যীচুৱে তেওঁবিলাকক আশীৰ্ব্বাদ কৰিবৰ বাবে আৰু নিজকে ভাল আৰু ক্ষমতাশালী যেন দেখুৱাবলৈ তেওঁলোকৰ সৈতে প্ৰাৰ্থনা কৰক।

- আপুনি সুপৰামৰ্শ দি থকা নতুন চলাওঁতাজনৰ যদি এনে কোনো মানুহ আছে যিবিলাকে বাইবেলেই ঈশ্বৰৰ বাক্য হয় বুলি নিশ্চিত হ'ব বিচাৰিছে, তেওঁলোককো এই পাঠটি পঢ়িবলৈ দিয়ক।
- যদি কিছুমান বিশ্বাসীয়ে বাইবেল পঢ়িব আৰু অধ্যয়ন কৰিব বিচাৰে, তেওঁলোকৰ ওপৰত তালিকাখনৰ পৰা যীচু আৰু পুৰণি নিয়মৰ চলাওঁতাসকলৰ মাজত থকা সাদৃশ্য আৰু প্ৰভেদবোৰ আৱিষ্কাৰ কৰিবলৈ দিয়ক।

**৩। আপোনাৰ সহকৰ্ম্মীৰে সৈতে হ'বলগীয়া উপাসনা সভাখনৰ আঁচনি কৰক।**

বিশ্বাসীসকলক বাইবেলৰ পৰা কেবাটাও পুৰণি নিয়ম ভবিষ্যৎবাণীবোৰ আৰু নতুন নিয়মত সেইবোৰৰ সমাধা হোৱা বিষয়ে একেলগে পঢ়ক।

সেই ভবিষ্যত বাণীবিলাক যীচুৱে কিদৰে সমাধা কৰিলে, সোধক।

ওপৰৰ তালিকাত থকা অন্ততঃ এজন পুৰণি নিয়মৰ চলাওঁতাৰ লগত যীচুৰ সাদৃশ্য আৰু প্ৰভেদখিনি বুজাই দিয়ক।

পটভূমি টোকাবোৰ ক, খ, গ আৰু ঘ বুজাই দিয়ক। কিজানি তাৰে যিকোনো এটাই উপাসনা সভাত বিশ্বাসী আৰু জানিব খোজাজনক সহায় কৰিব পাৰে। অতীতত সিদ্ধ হোৱা ভবিষ্যতবাণী বিলাকৰ নিশ্চয়তাই, ভবিষ্যতেও বাকী থকা ভৱিষ্যৎবাণী সিদ্ধ হে হ'ব বৰ্ণনা কৰক।

ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা বিষয়বোৰ বয়সস্থসকলৰ আগত প্ৰদৰ্শন কৰিবলৈ দিয়ক।

প্ৰভুৰ ভোজ স্থাপন কৰোঁতে, ১ কৰিন্থীয়া ১১ঃ২৬ পদটি ডাঙৰ মাতেৰে পঢ়ক। বুজাই দিয়ক যে খ্ৰীষ্টিয়ান সকলে মচীহ পুনৰায় অহালৈ আৰু বাকী থকা প্ৰতিজ্ঞাবোৰ তেওঁ সিদ্ধ কৰালৈকে অপেক্ষাত থকা কালত প্ৰায় ২০০০ হাজাৰ বছৰ পিঠা আৰু পানপাত্ৰ একেলগে গ্ৰহণ কৰি আহিছে।

লূক ২৪ঃ২৭ পদত যীচুৱে তেওঁ মোচিৰ পৰা আৰু সকলো ভাববাদীৰে পৰা আৰম্ভ কৰি গোটেই শাস্ত্ৰত নিজৰ বিষয়ে লিখা কথা তেওঁলোকক বুজাই দিলে।" একেলগে মুখস্থ কৰক।

একেলগে প্ৰাৰ্থনা কৰিবলৈ, যীচুৰ বিষয়ে পুৰণি ভাববাণীবোৰ আলোচনা কৰিবলৈ, আচনিবোৰ নিশ্চিত কৰিবলৈ আৰু ইজনে সিজনক উদ্‌গণি দিবলৈ দুই বা তিনিজনীয়া সৰু সৰু দলবোৰ গঠন কৰক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net